**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
Headlines

১। ছিক্কিমত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৪ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২২ গৰাকী সেনাজোৱানসহ মুঠ ১০২ জন লোক সন্ধানহীন।

২। বড়োলেণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিতিত কেইবাটাও প্ৰকল্প মুকলি তথা আধাৰশিলা স্থাপন ।

৩। ফেব্ৰুৱাৰী-মাৰ্চ মাহত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে ১ নৱেম্বৰৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ। ৩০ নৱেম্বৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিম দিন।

৪। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত আজি ইংলেণ্ডৰ বিৰুদ্ধে নিউজিলেণ্ড অৱতীৰ্ণ।

*আৰু*

৫। এছিয়ান গেমছত ১৮টা সোণ, ৩১টা ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮১টা পদকেৰে পদক তালিকাৰ চতুৰ্থ স্থানত ভাৰত। এছিয়ান গেমছত ভাৰতৰ এয়া সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

০০০০০০০

ছিক্কিমৰ মংগনত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৪ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২২ গৰাকী সেনাজোৱানসহ মুঠ ১০২ জন লোক সন্ধানহীন হৈ আছে। আনহাতে এই বানত ২৬ জন লোক আঘাতপ্ৰাপ্ত হৈছে। চৰকাৰী তথ্য অনুসৰি ছিক্কিমৰ আকস্মিক বানত ৰাজ্যখনৰ প্ৰায় ২২ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। তিস্তাৰ প্ৰবল বানে ১১ খনকৈ দলং উটুৱাই নিছে। প্ৰশাসনে চলোৱা উদ্ধাৰ অভিযানত প্ৰায় ২ হাজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে। ছিক্কিমত উদ্ধাৰ কাৰ্যৰ বাবে কালিয়েই গুৱাহাটী আৰু পাটনাৰ পৰা এন ডি আৰ এফৰ দুটাকৈ দল ৰাজ্যখনলৈ যাবলৈ সাজু হৈ আছে। বতৰ ভাল হ'লেই এন ডি আৰ এফে দুয়োটা দলকে দলে চুংথাঙলৈ লৈ যাব। একেদৰে বানবিধবস্ত চুংথাং, লাচেন আৰু লাছুঙত খাদ্যবস্তুকে ধৰি অন্যান্য জৰুৰী সামগ্ৰী বিতৰণ কৰিবলৈ এন ডি আৰ এফৰ দল সাজু হৈ আছে।

এই বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সুবিধাৰ বাবে ছিক্কিম আৰক্ষীয়ে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। বানত আৰ্তজনক উদ্ধাৰৰ বাবে মুকলি কৰা হেল্পলাইন নম্বৰকেইটা হৈছে- ০৩৫৯২২০২৮৯২, ০৩৫৯২২২১১৫২ আৰু ৮০০১৭৬৩৩৮৩। একেসময়তে জৰুৰীকালীন সেৱাৰ বাবে

আৰ্তজনে ১১২ নম্বৰতো ফোন কৰিব পাৰিব। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্যখনৰ মুখ্য সচিব বিজয়ভূষণ পাঠকে কয় যে, উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে কথা পাতে আৰু গ্লেছিয়েল হ্ৰদৰ পানী অকস্মাত বৃদ্ধি পোৱাৰ বাবে ৰাজ্যখনৰ বিভিন্ন অংশত সৃষ্টি হোৱা বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী তামাঙক যথাসম্ভৱ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে আৰু প্ৰভাৱিত লোকসকলৰ নিৰাপত্তা আৰু কল্যাণৰ হ'কে প্ৰাৰ্থনা জনায়। ইপিনে, ভাৰতীয় সেনাই সন্ধানহীন হৈ থকা ২২ গৰাকী সৈনিকক বিচাৰি অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বড়োলেণ্ডৰ আন্তঃগাথনি উন্নয়নত নতুন সংযোজনেৰে কেইবাটাও প্ৰকল্পৰ মুকলি আৰু শিলান্যাস কৰিব। বাক্সা জিলাৰ বাথৌফুৰী ক্ৰীড়া প্ৰকল্পত পুৱা চাৰে ১০ বজাত আৰু তামুলপুৰৰ জাৰতালুকত দুপৰীয়া ১২ বজাত এই অনুষ্ঠান অনুষ্ঠিত হ'ব। বাক্সা জিলাত ৪৮ কোটি ১৫ লাখ টকা ব্যয় সাপেক্ষে কেইবাটাও ক্ৰীড়া প্ৰকল্পৰ শিলান্যাস কৰা হ'ব। আনহাতে তামুলপুৰত প্ৰায় ২৯ কোটি ৫৭ লাখ টকা ব্যয় সাপেক্ষে কেইবাখনো পকী দলঙৰ শুভ উদ্বোধন কৰা হ'ব। এই প্ৰকল্পৰ দ্বাৰা জিলাখনৰ জনসাধাৰণে শিক্ষা আৰু চিকিৎসা সেৱা লাভ কৰাত সহায় হ'ব। লগতে সুচল যাতায়াত ব্যৱস্থাই অঞ্চলটোৰ জনসাধাৰণৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব। অনুষ্ঠানত বিটিআৰৰ বহু কেইগৰাকী সদস্য আৰু বিধায়ক উপস্থিত থাকিব বুলি জানিব পৰা হৈছে।

০০০০০০০০

অসমৰ বন্যপ্ৰাণী আশ্চৰ্যৰ অন্বেষণৰ অৰ্থে যোৱা ২ অক্টোবৰৰ পৰা ৬৯ সংখ্যক বন্যপ্ৰাণী সপ্তাহ পালন কৰা হৈছে। অহা ৮ অক্টোবৰত এই সপ্তাহৰ সামৰণি পৰিব। অসমৰ ৰাজ্যিক পক্ষী দেওহাঁহ বৰ্তমান বিপদাপন্ন আৰু এক নম্বৰ অনুসূচীত অন্তৰ্ভুক্ত হৈছে। ভাৰতৰ পূব হিমালয় অঞ্চল, ঘন ক্ৰান্তীয় চিৰ সেউজ অৰণ্য, নামেৰি ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল আৰু দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান, কেইবাখনো নৈ, জলাহভূমি আদিত সততে দেখিবলৈ পোৱা দেওহাঁহ বৰ্তমান সংকটৰ গৰাহত। বন্যপ্ৰাণী সপ্তাহ উপলক্ষে বিপন্ন এই দেওহাঁহক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে সজাগতা সৃষ্টি কৰা হৈছে। উল্লেখযোগ্য যে, পক্ষীবিধৰ নদী প্ৰধান বাসস্থান ধবংস, অৰক্ষয় আৰু ব্যাঘাতৰ ফলত ক্ৰমাৎ ই বিলুপ্তিৰ পথলৈ গতি কৰিছে।

০০০০০০০০

কোৱাণ্টাম ডট্‌ছৰ বিষয়ে কৰা গৱেষণাৰ সাফল্যৰ বাবে তিনিগৰাকী বিজ্ঞানীলৈ এই বছৰৰ ৰসায়নৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। বঁটাপ্ৰাপক তিনিগৰাকী বিজ্ঞানী হৈছে ক্ৰমে— এম আই টিৰ ৬২ বছৰীয়া মাউংগি বাৱেণ্ডি, কলম্বিয়া ইউনিভাৰ্ছিটীৰ ৮০ বছৰীয়া লুইছব্ৰুছ আৰু নেন' ক্ৰিষ্টেলছ টেকন'ল'জি ইন কৰ্পোৰেচনৰ ৭৮ বছৰীয়া এলেক্সি একিমভ। ষ্টকহোমত কালি ৰয়েল ছুইডিচ একাডেমীয়ে ৰসায়নৰ ন'বেল বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। এই বঁটাত আছে এক নিযুত ডলাৰ। কোৱাণ্টাম ডটছ হৈছে অতি উজ্জ্বল ৰঙৰ পোহৰ এৰি দিব পৰা অতি ক্ষুদ্ৰ কণা। ই ইলেকট্ৰনিক্স আৰু মেডিকেল ইমেইজিঙত ব্যৱহাৰ হয়। শল্য চিকিৎসকসকলে অস্ত্ৰোপচাৰ কাৰ্যত কোৱাণ্টাম ডটছ বিশেষভাৱে ব্যৱহাৰ কৰে।

০০০০০০০০

ৰাজ্য চৰকাৰে খিলঞ্জীয়া মুছলমানৰ আৰ্থ সামাজিক মূল্যায়নৰ বাবে লোৱা সিদ্ধান্তক **উজনি অসম মুছলিম কল্যাণ পৰিষদে** আদৰণি জনাইছে। পৰিষদৰ কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বৰাই চৰকাৰৰ এই পদক্ষেপ ইতিবাচক বুলি অভিহিত কৰে। আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ কয় যে, আৰ্থ সামাজিক মূল্যায়ণ প্ৰক্ৰিয়াই খিলঞ্জীয়া মুছলমান বিশেষকৈ গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাসকলৰ সৰ্বাংগীন বিকাশৰ পথ মুকলি কৰিব। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে যোৱা বছৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰি মুছলমানসকলৰ গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাসকলক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদান কৰিছে। ইয়াৰ পাছতে ৰাজ্য চৰকাৰে অধিসূচনা জাৰি কৰি মুছলমানসকলৰ সাংস্কৃতিক পৰিচয়, শিক্ষা-স্বাস্থ্য, আৰ্থিক অন্তৰ্ভুক্তি, দক্ষতা বিকাশ, মহিলা সৱলীকৰণ আদি বিষয়বোৰৰ অধ্যয়নৰ বাবে সাতখন উপ-সমিতি গঠন কৰি দিছিল।

oooooooo

অনাগত দুৰ্গোৎসৱ উপলক্ষে কালি বৰপেটা জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলা প্ৰশাসন, আৰক্ষী আৰু পূজা উদযাপন সমিতিসমূহৰ এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত আয়ুষ গাৰ্গৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সফলভাৱে পূজা উদযাপন দিশসমূহ আলোচনা কৰা হয়। পূজা সমিতিসমূহৰ প্ৰতিনিধিসকলক বিশেষকৈ মানুহৰ ভীৰ নিয়ন্ত্ৰণত ল'বলগীয়া ব্যৱস্থা আৰু নিৰাপত্তাৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বাবে আৰক্ষীৰ পৰা বিভিন্ন পৰামৰ্শ দিয়া হয়।

oooooooo

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই অনুসৰি অহা ১ নৱেম্বৰৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ হব। ৩০ নৱেম্বৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰকে কালি এখন অধিসূচনা জাৰি কৰে। এই অধিসূচনাত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ শিক্ষানুষ্ঠানৰ মুৰববীক নিৰ্দেশ দিয়া হৈছে। ইপিনে, পিতৃ মাতৃৰ বাৰ্ষিক আয় ২ লাখ বা তাতকৈ কম হ'লে এনে পৰিয়ালৰ পৰিক্ষাৰ্থীয়ে কেন্দ্ৰ মাচুল নইবা পৰীক্ষা মাচুল ৰেহাই পাব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

oooooooo

ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই যোৱা নিশা উত্তৰ গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান চমুকৈ আই আই টিত আৰোহণ শীৰ্ষক শিক্ষামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত ভাগ লয়। ৰাজ্য চৰকাৰৰ আৰোহণ শিক্ষামূলক ভ্ৰমণ আঁচনিৰ অধীনত ডিব্ৰুগড়, ধেমাজি, উত্তৰ শালমৰা, মানকাছৰ আৰু হাইলাকান্দি জিলাৰ বিভিন্ন বিদ্যালয়ৰ চাৰি শতাধিক শিক্ষাৰ্থীয়ে আই আই টিৰ অতিথিশালাত বাহৰ পাতি আছে। আজি শিক্ষাৰ্থীসকলক বিজ্ঞান যাদুঘৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় আদি দেখুওৱাৰ পাছত মুখ্যমন্ত্ৰীৰ সৈতেও মত-বিনিময় কৰোৱা হ'ব।

oooooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-

পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনল'ড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

oooooooo

নগাঁও জিলাত মঙলবাৰে আৰক্ষীয়ে চলোৱা এটা অভিযানত বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হয়। সেনাৰ চোৰাংছোৱাৰ তথ্যৰ ভিত্তিত সেনা আৰক্ষীয়ে যুটীয়াভাৱে চলোৱা অভিযানটোত নগাঁৰৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নমাপঘালী গাঁৱৰ খাইৰুল ইছলামৰ ঘৰত কেইবাটাও হস্তনিৰ্মিত গ্ৰেণেড উদ্ধাৰ হয়। আৰক্ষীয়ে বিস্ফোৰক সামগ্ৰী আইন-১৯০৮ৰ অধীনত চামগুৰি থানাত এটা গোচৰ ৰুজু কৰিছে।

oooooooo

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব। নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজৰ এই উদ্বোধনী খেলখনৰ বাবে নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আৰু আহমেদাবাদৰ অন্য অংশত প্ৰায় ৩ হাজাৰ ৫০০ গৰাকী আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। এইবাৰৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদত ১৪ অক্টোবৰৰ ভাৰত-পাকিস্তানৰ খেলসহ মুঠ ৫ খন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ এইখন ষ্টেডিয়ামতে অহা ১৯ নৱেম্বৰত বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল খেলখন খেলোৱা হ'ব। আনহাতে, ভাৰতে ৮ অক্টোবৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চেন্নাইত প্ৰথমখন খেলেৰে বিশ্বকাপ ক্ৰিকেটৰ অভিযান আৰম্ভ কৰিব।

oooooooo

ভাৰতে কালি চীনত অনুষ্ঠিত এছিয়ান গেমছৰ একাদশ দিনা ৩টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১২টা পদক অৰ্জন কৰে। ইয়াকে লৈ ভাৰতে বৰ্তমানলৈকে ১৮টা সোণ, ৩১টা ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮১টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া বৰ্তমানলৈকে ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

প্ৰতিযোগিতাখনৰ আৰ্চাৰীত আজি ভাৰতৰ সুৰেখা পৰ্ণিত আৰু অদিতিয়ে হংকঙৰ দলটোক পৰাস্ত কৰি ছেমি ফাইনেললৈ অগ্ৰগতি লাভ কৰিছে। বেডমিণ্টনত কিছুসময়ৰ পিছতে পি ভি সিন্ধুৱে চীনৰ বিংজিয়াওৰ মুখামুখি হ'ব। ইয়াৰ উপৰিও ভাৰতীয় খেলুৱৈ আজি পুৰুষৰ মাৰাথন দৌৰৰ ফাইনেল, জু-জিটছু, ৰ'লাৰ স্কেটিং আৰু মল্লযুদ্ধকে ধৰি বিভিন্ন শিতানত প্ৰতিদ্বন্দ্বীতা আগবঢ়াব।

আনহাতে, প্ৰতিযোগিতাৰ একাদশ দিনা কালি নীৰজ চোপ্ৰাই পুৰুষৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰে। এই শিতানত সতীৰ্থ খেলুৱৈ কিশোৰ জেনাই ৰূপৰ পদক হস্তগত কৰে। একেদৰে জ্যোতি সুৰেখা ৱেন্নম আৰু অ'জাছ দেওতোলেই আৰ্চাৰীৰ মিক্সড শাখাৰ দলীয় শিতানত দেশৰ হকে সোণৰ পদক লাভ কৰে। ইয়াৰ বিপৰীতে হৰমিলন বেইনছে মহিলাৰ ৮০০ মিটাৰ, অৱিনাশ ছাবলেই পুৰুষৰ ৫০০ মিটাৰ

দৌৰ আৰু লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক লাভ কৰে। পৰবীন হুডাই মহিলাৰ বক্সিঙৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে অভয় সিং আৰু অনাহাত সিঙে স্কোৱাছত আৰু ৰামবাবু আৰু মঞ্জুৰাণীয়ে ৩৫ কিলোমিটাৰ বেগাই খোজকঢ়া প্ৰতিযোগিতাৰ মিক্সড শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ বিপৰীতে সুনীল কুমাৰে পুৰুষৰ মল্লযুদ্ধৰ ৮৭ কিলোগ্ৰাম ওজন শাখাৰ গ্ৰীকো ৰ'মান শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

oooooooo

ছিকিমত সংঘটিত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা বানত বহুকেইজন লোকৰ মৃত্যু হোৱাৰ লগতে সেনা জোৱান সহ দুই শতাধিক লোক সন্ধানহীন হোৱাৰ বাতৰিক আজি প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে স্থান দিছে।

কোৱাণ্টাম কণাৰ আৱিষ্কাৰ আৰু সংশ্লেষণৰ বাবে তিনি ৰসায়ন বিজ্ঞানী ক্ৰমে মাউংগি বাৱেণ্ডি, লুই ব্ৰুছ, এলেক্সি একিমভলৈ এই বছৰৰ ৰসায়নৰ ন'বেল বঁটা আগবঢ়োৱা বাতৰিক দৈনিক অসম, দি আছাম ট্ৰিবিউনকে প্ৰমুখ্য কৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চীনত চলি থকা এছিয়ান গেমছৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত অসম কন্যা লাভলীনা বৰগোহাঁয়ে ৰূপৰ পদক লাভ কৰাৰ বাতৰিক অসমীয়া খবৰ কাকতে **ৰূপোৱালী লাভলীনা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিনকে ধৰি বহুকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো ছিলিণ্ডাৰৰ ৰাজ সাহায্য ২০০টকাৰ পৰা ৩০০ টকালৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱাৰ বাতৰিক দ্যা ছেণ্টিনেল আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এটা বিতৰ্কিত গেমিং এপ্লিকেচনৰ অনলাইন জুৱাৰ বিজ্ঞাপনত অংশগ্ৰহণ কৰাৰ বাবে বলিউড অভিনেতা ৰনবীৰ কাপুৰক প্ৰৱৰ্তন সঞ্চালকালয়ে জেৰাৰ চমন দিয়াৰ বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰী তদন্তৰ দ্বিতীয়খন প্ৰতিবেদন অহা এসপ্তাহৰ ভিতৰত দাখিল কৰিব বুলি জনোৱা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত পৰিচালক ৰীমা দাসে তেখেতৰ শেহতীয়া চলচ্চিত্ৰ **তৰাজ হাজবেণ্ডৰ** বাবে ষষ্ঠদশ এছিয়া পেছিফিক স্ক্ৰীণ এৱাৰ্ড ২০২৩ৰ বাবে মনোনয়ন লাভ কৰাৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিৰ ভিতৰত আছে – উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বাবে ১ নৱেম্বৰৰ পৰা প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ, ১০৪ বছৰ বয়সত লখিমপুৰৰ মুক্তিযোদ্ধা স্নেহলতা মজুমদাৰৰ বিয়োগ, শ্বহীদ কনকলতাৰ স্মৃতিত ডাক টিকট মুকলি কৰিব ৰাজ্য চৰকাৰে, আজিৰে পৰা ক্ৰিকেটৰ বিশ্বযুদ্ধ, খিলঞ্জীয়া মুছলমানৰ বাবে হ'ব সুকীয়া সঞ্চালকালয় আদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**